# উপসংহাৰ

# উপসংহাৰ

নামনি অসমৰ তথা বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত কোকৰাঝাৰ আৰু চিৰাং জিলা দুখন উল্লেখযোগ্য জিলা। উক্ত জিলা দুখনত বাস কৰা কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ সামাজিক লোকাচাৰৰ বিষয়ে সঠিকৰূপত আলোচনা হোৱা নাই বাবে আমাৰ গৱেষণা কৰ্মৰ জৰিয়তে ইয়াক পোহৰলৈ আনিবলৈ প্ৰয়াস কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নৰদ্বাৰা প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থখনিত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলৰ মাজত প্ৰচলিত বিভিন্ন ধৰণৰ সামাজিক আচাৰ-অনুষ্ঠান আদিৰ উপৰিও কোচ-ৰাজবংশী লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত বিভিন্ন ধৰণৰ গীত-পদ আদিৰো আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে। "**কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন**" - শীৰ্ষক গৱেষণামূলক অধ্যয়নত মূল পাঁচটা অধ্যায়ত বিভাজন কৰি আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

প্ৰথম অধ্যায় "**কোচ-ৰাজবংশীসকলৰ জনগোষ্ঠীয় আৰু সাংস্কৃতক পৰিচয়**"ত কোচ-ৰাজবংশী জনগোষ্ঠীৰ মূল আৰু বৈচিত্ৰ্যময় ইতিহাসৰ বিষয়ে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মন্তব্যসমূহৰ আলোচনা আগবঢ়োৱা হৈছে। সাংস্কৃতিক দিশৰ আলোচনাৰ পৰা দেখা যায় যে কোচ-ৰাজবংশী লোকসকল সাংস্কৃতিক দিশত চহকী। বিশেষকৈ উৎসৱ-পাৰ্ৱণ, লোকবিশ্বাস, লোকসাহিত্য, সাজপোছাক, আ-অলংকাৰ, খাদ্যসম্ভাৰ আদিৰ ক্ষেত্ৰত কোচ-ৰাজবংশী লোকসকলৰ সুকীয়া পৰিচয় পোৱা যায়।

দ্বিতীয় অধ্যায়ত "**কোচ-ৰাজবংশীসকলৰ জন্ম, বিবাহ, মৃত্যুৰ সৈতে জড়িত লোকাচাৰ**" সম্পৰ্কে অধ্যয়ন যুগুত কৰা হৈছে। এই অধ্যায়টিত ক্ষেত্ৰ অধ্যয়ন কৰি পোৱা তথ্য অনুসৰি কোচ-ৰাজবংশীলোকসকলৰ জীৱন বৃত্তৰ লগত জড়িত জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় সকলো লোকাচাৰৰ আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ লগতে গৌণ সমল হিচাপে ব্যৱহাৰ কৰা কিছুমান সংগৃহীত ছপা গ্ৰন্থৰ পৰাও তথ্য আহৰণ কৰা হৈছে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলে সন্তান জন্ম সম্পৰ্কীয় কেতবোৰ লোকাচাৰ যেনে- সাত খুওৱা পৰ্ব, প্ৰসূতিক পোৱাতী ঘৰ বা চুৱা ঘৰত ৰখা, ফুল গৰম কৰা পৰ্ব, নাড় কটা পৰ্ব, চাৰিদিনত চুৱা পোলোৱা পৰ্ব, মাহেকীয়া চুৱা পেলোৱা পৰ্ব, নামকৰণ পৰ্ব, অন্নপ্ৰাশন, চূড়াকৰণ আদি পালন কৰে।

মানৱ জীৱন বৃত্তৰ লগত জড়িত অনুষ্ঠান সমূহৰ ভিতৰত বিবাহ অনুষ্ঠান অন্যতম। কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিবাহ অনুষ্ঠানক দুটা ভাগত ভাগ কৰিব পাৰি- সৰুবিয়া অৰ্থ্যাৎ ধুৱানি আৰু বৰ বিয়া বা প্ৰকৃত বিয়া। সৰু বিয়া নাৰীসকলৰ জন্ম আৰু বৰ বিয়াৰ এক মধ্যৱৰ্তী অনুষ্ঠান। সৰু বিয়াত ঋতুমতী হোৱা ছোৱালীজনীক ঘৰৰ ভিতৰত আছুতীয়াকৈ থোৱাৰ পৰা আৰম্ভ কৰি গণনা চোৱা, চাৰি দিনত গাওধানিৰ দ্বাৰা ছোৱালীজনীক গা ধুওৱা, চোতালত ৰাইজৰ আগত ছোৱালীজনীক লৈ বিভিন্ন নীতি-নিয়ম পালন কৰাৰ লগত হবিচ খোৱা নিয়মো পালন কৰে। ঠিক সেইদৰে, বৰ বিয়াতো কইনা চোৱা পৰ্ব, ধান টাকা দেৱা প্ৰথা, পানচিনি বা নিৰীক্ষণ পৰ্ব অধিবাস বা বিয়াৰ আগদিনা পালনীয় ৰীতি-নীতি, বিয়াৰ দিনা পালনীয় নীতি-নিয়ম যেনে- পানী তোলা পৰ্ব, নান্দী মুখৰ শ্ৰাদ্ধ, তেল চৰোৱা পৰ্ব, দৰা - কইনাক গা ধুওৱা, সুৱাগ ঝাৰা পৰ্ব, আখৈ ঝাৰা পৰ্ব, দৰা আদৰা পৰ্ব, গেট ধৰা প্ৰথা, বিয়াবাৰী বা বেইবাৰী ঘূৰোৱা পৰ্ব, কইনাৰ বিদায় পৰ্ব, আদি দৰা ঘৰত ন কইনা আদৰা পৰ্ব, বিয়াৰ প্ৰীতিভোজ বা ৰান্ধন দিয়া পৰ্ব, টোপোলা ফিৰা বা আঠমঙ্গলা পৰ্ব আদি বিভিন্ন পৰ্ববোৰৰ মাজদি বৰ বিয়া সম্পন্ন হয়। কোচ-ৰাজবংশী লোকসমাজত বিবাহ অনুষ্ঠানৰ সৈতে জড়িত বিভিন্ন নীতি নিয়মবোৰৰ লগতে বিবিধ গীতৰ প্ৰচলনো এটা মনকৰিবলগীয়া দিশ।

জন্ম আৰু বিবাহৰ দৰে মৃত্যুৰ সৈতে জড়িত বিভিন্ন লোকাচাৰ কোচ-ৰাজবংশী লোকসমাজত প্ৰচলন আছে। মৃত্যুৰ দিনা পালনীয় আচাৰ-নীতি যেনে- মৃতকক গা-ধুৱাই নতুন কাপোৰ পিন্ধোৱা, চোতালত ৰাইজৰ সন্মুখত মৃতকৰ মুখত পানী দিয়া, ফুল, মালা অৰ্পণ কৰা, মৃতকৰ বাবে চাঙী তৈয়াৰ কৰা, মৃতকক শ্মশানলৈ নিয়া, মৃতকৰ অস্থি অনা শ্মশানৰ পৰা উভতি নিজ নিজ ঘৰ পোৱাৰ পিছত পদূলি মুখত কৰা নিয়ম, চতুৰ্থা, দহা, খেউৰ, আদ্যশ্ৰাদ্ধ, মৎস স্পৰ্শ বা মাছ চুৱেনি আদি পৰ্ববোৰৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

আমাৰ গৱেষণা গ্ৰন্থখনিৰ তৃতীয় অধ্যায়টি হ'ল "**কোচ-ৰাজবংশীসকলৰ পূজা-পাতল, উৎসৱ-পাৰ্ব্বণ আৰু ধৰ্মৰ সৈতে জড়িত লোকাচাৰ**"। এই অধ্যায়টিত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত পৰম্পৰাগতভাৱে প্ৰচলন হৈ অহা বিভিন্ন পূজা-পাতল যেনে- কাতিকা পূজা, হুদুম পূজা, কাচাইখাতী পূজা, বাঁশ পূজা, গাৰ্জা পূজা, মাৰৈ পূজা, সোনাৰায় পূজা, লাখল ঠাকুৰৰ পূজা, ঠাকুৰাণী পূজা আদিত পালনীয় লোকাচাৰসমূহৰ আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ লগতে বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বণ যেনে- বিষুৱা, কাতি গাছা, আগ আনা, নয়া খাওৱা, পুযুনা, বাসুগাঁও ৰাজাচাৰাঙৰ শ্ৰী শ্ৰী ৰাজাঠাকুৰ আৰু কালীপুখুৰীৰ লালটাৰীৰ শ্ৰী ৰাজাঠাকুৰ মন্দিৰত দৌল উৎসৱ, অম্বুবাচী, মথন খেলা বা কাদং ভাওনা, অ'ৰি মাগা আদিত পালনীয় আচাৰ-নীতিসমূহৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে।

আমাৰ গৱেষণা গ্ৰন্থৰ চতুৰ্থ অধ্যায়টো হ'ল "**কোচ-ৰাজবংশীসকলৰ লোকচিকিৎসাৰ সৈতে জড়িত লোকাচাৰ**।" এই অধ্যায়টিত লোকচিকিৎসাৰ ধাৰণা, লোকচিকিৎসাৰ ভাগ সম্পৰ্কে আভাস দিয়া হৈছে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোক সমাজত সৰু ল'ৰা ছোৱালীৰ পৰা আৰম্ভ কৰি ডেকা-গাভৰু, বঢ়া-বুঢ়ী সকলো বয়সৰ ব্যক্তিৰ বিভিন্ন ৰোগ নিৰাময়ৰ বাবে অতীতৰপৰা কেনেধৰণৰ লোকচিকিৎসাৰ প্ৰচলন আছে সেই সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ উপৰিও কোচ-ৰাজবংশী লোকসাহিত্যত লোকঔষধ বা লোকচিকিৎসাৰ প্ৰাপ্ত সমলৰ বিষয়েও আলোকপাত কৰা হৈছে।

আমাৰ গৱেষণা গ্ৰন্থৰ পঞ্চম অধ্যায়টি হৈছে "**কোচ-ৰাজবংশীসকলৰ খেল-ধেমালিৰ সৈতে জড়িত লোকাচাৰ**" খেল-ধেমালি ব্যক্তি ব্যক্তিসমষ্টিৰ শাৰীৰিক, মানসিক বিকাশৰ লগতে

বৌদ্ধিক উত্তৰণত বিশেষভাৱে ভূমিকা পালন কৰি আহিছে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসমাজত লিংগভেদে, বয়সভেদে, স্থানভেদে, কালভেদে, ঋতুভেদে প্ৰচলিত বিভিন্ন প্ৰকাৰৰ খেল-ধেমালিৰ নীতি-নিয়মৰ এই অধ্যায়টিত আগবঢ়োৱা হৈছে। ইয়াৰ উপৰিও কোচ-ৰাজবংশীসকলৰ পৰম্পৰাগত খেল-ধেমালিৰ লগত কেতবোৰ লোকাচাৰ জড়িত হৈ আহিছে সেই বিষয়েও আলোচনা আগবঢ়োৱা হৈছে।

**কোচ-ৰাজবংশীসকলৰ জন্ম সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰত পৰিৱৰ্তন ঃ**

কোচ-ৰাজবংশী সমাজত পৰম্পৰাগতভাৱে অতীতৰে পৰা জন্ম সম্পৰ্কীয় বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰচলন হৈ আহিছে। সময় পৰিৱৰ্তনশীল; সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ জীৱন-শৈলী, সামাজিক আচৰণ আদিৰো পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। ইয়াৰ উপৰি আধুনিক শিক্ষাব্যৱস্থা, নগৰীকৰণ, বিশ্বায়ন আদিৰ প্ৰভাৱতো এনে লোকাচাৰৰ পৰিৱৰ্তিত ৰূপ দেখা যায়। পূৰ্বতে গৰ্ভৱতী মহিলাক নদী পাৰ হ'বলৈ দিয়া নাছিল, চুলি মেলি থাকিবলৈ দিয়া নাছিল, ডাঙৰ গছৰ তলত যাবলৈ দিয়া নাছিল। কিন্তু বৰ্তমান সময়ত এনে নিয়মৰ পৰিৱৰ্তন হোৱা দেখা যায়। আজিকালি যোগাযোগ ব্যৱস্থা আগতকৈ সুচল হৈছে। প্ৰায় বেছিভাগ নদীৰ ওপৰত দলং নিৰ্মাণ কৰা হৈছে। আজিৰ নাৰীসকল গৰ্ভধাৰণ কৰিলেও নিজৰ সৌন্দৰ্যৰ প্ৰতি অধিক সচেতন। চুলি মেলি থকাটো আজিকালি ফেশ্বন বুলিব পাৰি। গতিকে চুলি মেলি থাকিলে কোনো অপশক্তিয়ে ক্ষতি সাধন কৰিব এনে ধৰণৰ লোকবিশ্বাসো ক্ৰমান্বয়ে এৰাই চলা পৰিলক্ষিত হয়।

বৰ্তমান যুগ বিশ্বায়নৰ যুগ। বিশ্বায়নৰ ফলশ্ৰুতিত সময়ৰ অগ্ৰগতিৰ লগে লগে, বিজ্ঞান-প্ৰযুক্তিবিদ্যা আদিৰ সম্প্ৰসাৰণে বৰ্তমান সময়ৰ লোকসমাজৰ বিভিন্ন দিশত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। সাম্প্ৰতিক সময়ত চিকিৎসা বিজ্ঞানেও অধিক অগ্ৰগতি লাভ কৰাৰ ফলস্বৰূপে নগৰৰ উপৰিও ভিতৰুৱা অঞ্চল তথা গাঁৱে-ভূঞে চিকিৎসালয়সমূহ গঢ়ি উঠিছে লগতে অত্যাধুনিক যন্ত্ৰ-পাতি আদিৰো প্ৰয়োগ মন কৰিবলগীয়া দিশ। এনে সা-সুবিধাবোৰ থকাৰ বাবে বৰ্তমান সময়ত বেছিভাগে চিকিৎসকৰ পৰামৰ্শ লয় আৰু হস্পিতাল নাৰ্ছিংহোম আদিতে সন্তান প্ৰসৱ কৰায়। ইয়াৰ বাবে চাৰি পাঁচ দিন হস্পিতালত থকিবলগীয়া হয়। সেয়ে, নৱজাতকক কুলাত ৰখা প্ৰথা,

প্রসূতি আৰু নৱজাতকক পোৱাতী বা ছুৱা ঘৰত ৰখা নিয়ম, প্রসূতিৰ ফুল মাটিত পুতি থোৱা, নৱজাতকৰ নাড় কটা নিয়ম আদি নোহোৱা হৈ আহিছে।

ইয়াৰ উপৰিও, সাম্প্রতিক সময়ত গৰ্ভৱতী মহিলা গৰ্ভধাৰণৰ সময়ৰে পৰাই চিকিৎসকৰ পৰামৰ্শমতে আগবাঢ়ে লগতে স্থানীয় আশাকৰ্মীও সহায় সহযোগ আগবঢ়ায় আৰু নিৰ্দিষ্ট সময় অনুযায়ী বিভিন্ন ধৰণৰ টেবলেট, বেজী আদি বিনামূলীয়াকৈ যোগান দিয়ে। এনেবোৰ কাৰণতে হয়তো বৰ্তমান সময়ত নৱজাতকৰ মৃত্যুৰ হাৰ কম দেখা যায়। গতিকে, এনেদৰে আৰম্ভণিৰে পৰা চিকিৎসকৰ পৰামৰ্শমতে চলাৰ বাবে পৰম্পৰাগতভাৱে চলি অহা বহুখিনি নীতি-নিয়ম আৰু লোকবিশ্বাসসমূহ ক্রমান্বয়ে হ্রাস হৈ আহিছে।

কোচ-ৰাজবংশী লোকসমাজত পৰম্পৰাগতভাৱে পঞ্চামৃত খুওৱাৰ পৰ্বৰ প্রচলন নাছিল কিন্তু বৰ্তমান কেতবোৰ অঞ্চলত এনে ৰীতিৰ প্রচলন দেখা যায়। কোকৰাঝাৰ আৰু চিৰাং জিলাত কোচ-ৰাজবংশী জনগোষ্ঠীৰ বাহিৰেও অন্যান্য বহুতো জনগোষ্ঠীৰ লোক বাস কৰে। অন্যান্য জনগোষ্ঠীৰ লোকসকলৰ মাজত এনে ৰীতিৰ প্রচলন আছে। সাংস্কৃতিক সমাহৰণৰ বাবেও কোচ-ৰাজবংশী লোকসমাজত এনে পৰিৱৰ্তন দেখা দিয়াটো লক্ষণীয়।

কোচ-ৰাজবংশী লোকসমাজত পৰম্পৰাগতভাৱে প্রচলিত নামকৰণ পৰ্বৰ ক্ষেত্রতো পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। যিহেতু চিকিৎসালয়ত এটা নিদিষ্ট সময়ৰ ভিতৰতে সন্তান জন্মৰ প্রমাণ পত্র প্রদান কৰে সেয়ে জন্মৰ পিছতে পঞ্জিকা চাই দিন, বাৰ, তিথি সময় চালিজাৰি চাই ৰাশি অনুযায়ী মা-দেউতাক তথা পৰিয়ালৰ লোকে নাম ৰাখে। উল্লেখযোগ্য যে সন্তানৰ নাম ৰখাৰ ক্ষেত্রত বৰ্তমান সময়ত ইন্টাৰনেটৰ সহায় লোৱাও পৰিলক্ষিত হয়। কোচ-ৰাজবংশী সমাজত সন্তান জন্মৰ এমাহ হোৱাত চুৱা পেলোৱাৰ দিনা অতিথিক নিমন্ত্রণ জনায়, নাম-কীৰ্ত্তন কৰি শুদ্ধিকৰণ হোৱাৰ লগতে নামকৰণ পৰ্বতো বৰ্তমান অনুষ্টপীয়াকৈ পতা দেখা যায়।

অন্নপ্রাশন কোচ-ৰাজবংশী লোকসমাজত প্রচলিত এক অন্যতম লোকাচাৰ। বৰ্তমান সময়ছোৱাত অন্নপ্রাশনৰ লগত জড়িত নীতি-নিয়মবোৰ এতিয়াও চলি আছে যদিও তাৰ মাজতো কিছু পৰিৱৰ্তন লক্ষণীয়। এই অনুষ্ঠানটিত কেঁচুৱাটিৰ, মোমায়েকৰ ভূমিকা গুৰুত্বপূৰ্ণ তথা অপৰিহাৰ্য। কিন্তু বৰ্তমান সময়ত নিজৰ মোমায়েক নাথাকিলেও নিজৰ মাহীয়েকে এই ভূমিকা তথা দায়িত্ব

পালন কৰা দেখা যায়। এই ক্ষেত্ৰত কোচ-ৰাজবংশী সমাজত নাৰী আৰু পুৰুষৰ সম অধিকাৰ থকা কথাটোৰ প্ৰতিফলন ঘটিছে বুলি ক'ব পাৰি। আজিকালি ব্যস্ততাপূৰ্ণ জীৱনত এনে লোকাচৰ অনুষ্টপীয়াকৈ মন্দিৰতো অনুষ্ঠিত কৰা দেখা যায়।

এনেদৰে উপৰোক্ত আলোচনাৰ পৰা কোচ-ৰাজবংশী লোকসমাজত জন্ম সম্পকীয় লোকাচাৰৰ ক্ষেত্ৰত বৰ্তমান সময়ত দেখা দিয়া পৰিবৰ্তনৰ বিষয়ে আভাস পাব পাৰি। কিন্তু তাৰ মাজতে কোচ-ৰাজবংশী লোক সকলে নিজস্ব পৰম্পৰা বোজাই ৰাখিছে।

**বিবাহ সৈতে জড়িত লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিৱৰ্তিত ৰূপ ঃ**

কোচ-ৰাজবংশী সমাজত বিবাহৰ সৈতে জড়িত লোকবিশ্বাস আৰু লোকাচাৰৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। কোচ-ৰাজবংশী সমাজত প্ৰচলিত সৰু বিয়া বা ধুৱানি অনুষ্ঠানটো নাৰী জীৱনৰ এক উল্লেখযোগ্য অনুষ্ঠান। ধুৱানিৰ লগত জড়িত লোকাচাৰ-সমূহৰ অন্তৰালত থাকে ছোৱালীজনীৰ ভৰিষ্যত জীৱনৰ কামনা আৰু উৰ্বৰতাৰ বিশ্বাস। এখন সমাজত পৰম্পৰাগতভাৱে চলি অহা লোকাচাৰ সমূহ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰবাহিত হয়। এনেদৰে গতি কৰোতে সময় সোঁতত কিছু পৰিৱৰ্তনেও দেখা দিয়ে। সাধাৰণতে লোকাচাৰসমূহ পালনৰ ক্ষেত্ৰত নাৰীসকল আগ্ৰহী। সেয়ে কোচ-ৰাজবংশী সমাজত ধুৱানিৰ লগত জড়িত লোকাচাৰসমূহ কিছু অক্ষত অৱস্থাত আছে যদিও আধুনিকতাৰ পৰশত বস্তুবাদী মানসিকতাৰ বাবে পৰিৱৰ্তনৰ লগতে কেতবোৰ নতুন নিয়মো সন্নিবিষ্ট হৈ পৰিছে।

পৰম্পৰাগতভাৱে প্ৰচলিত নিয়ম অনুসৰি পুষ্পিতা হোৱা ছোৱালীজনীক চাৰি দিনৰ বাবে ঘৰৰ এচুকত মাটিত ঢৰা বা ধানখেৰেৰে বিছনা সাজি ৰখা হৈছিল যদিও বৰ্তমান সময়ত বিছনাতে ৰখা দেখা যায় আৰু ছোৱালীজনী ভয় খালে মাককো লগত থকা দেখা যায়। সেই চাৰিদিনত ছোৱালীজনীয়ে ফলাহাৰ, এঁৰা গাখীৰ আদি খাব লাগে। কিন্তু বৰ্তমান সময়ত ব্ৰেড, কেক, বাটাৰ আদি খোৱাও পৰিলক্ষিত হয়।

কোচ-ৰাজবংশী সমাজত পৰম্পৰাগতভাৱে চাৰি দিনৰ দিনা ছোৱালীজনীক লৈ নীতি-নিয়ম পালন কৰাৰ পাছত গৃহস্থই সামৰ্থ অনুযায়ী খোৱা - লোৱাৰ ব্যৱস্থা কৰিছিল। বৰ্তমান সময়তো এনে ৰীতিৰ প্ৰচলন আছে যদিও কিছুমানে চাৰিদিনৰ দিনা কেৱল নিয়মখিনি কৰি থৈ

সকলোৰে সুবিধাৰ্থে পিছতহে আত্মীয়-কুটুম্ব তথা ৰাইজক নিমন্ত্ৰণ জনায় আৰু বৰ বিয়াৰ দৰে বৃহৎ আয়োজন কৰা পৰিলক্ষিত হয়। এই অনুষ্ঠানটো পিছলৈ উপভোগ কৰিবৰ বাবে সাম্প্ৰতিক সময়ত ভিডিঅ' ৰেকৰ্ডিং কৰাও দেখা যায়। এনেবোৰৰ সমান্তৰালকৈ কইনাজনীক ধুনীয়াকৈ সজাই এঠাইত বহুৱাই ৰখাৰ লগতে উপহাৰ দিয়া প্ৰথাও গঢ় লৈ উঠিছে। এনেবোৰ প্ৰথাই মধ্যবিত্ত বা আৰ্থিকভাৱে দুৰ্বল লোকৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হয় তথা মানসিকভাৱে হীনমন্যতাত ভোগাও দেখা যায়।

ইয়াৰোপৰি, ধুৱানি অনুষ্ঠানটি সম্পূৰ্ণৰূপে নাৰীকেন্দ্ৰিক অনুষ্ঠান য'ত পুৰুষ থকা নিষেধ আৰু সেয়ে হয়তো পূৰ্বতে সৰু ল'ৰা এনেবোৰ অনুষ্ঠানত ভাগ ললে দাড়ি নগজিব বুলি ভয় খুৱাই অনুষ্ঠানৰ পৰা আঁতৰাই ৰাখিছিল। কিন্তু সাম্প্ৰতিক সময়ত এনে অনুষ্ঠানত পুৰুষৰ উপস্থিতিও দেখা যায়। এনে অনুষ্ঠান দিনৰ ভাগত শেষ পাইছিল কিন্তু বৰ্তমান সময়ত ৰাতিও এনে অনুষ্ঠান চলি থাকে। যিকি নহওক, ধুৱানি অনুষ্ঠানটো অক্ষত ৰূপতে হওক বা কিছু পৰিৱৰ্তিত ৰূপতেই হওক বৰ্তমান সময়তো কোচ-ৰাজবংশী লোক সকলৰ মাজত প্ৰচলন আছে আৰু ভৱিষ্যতেও থাকিব বুলি আশাবাদী। এই অনুষ্ঠানটোত ছোৱালীজনীয়ে পালন কৰা বিভিন্ন নীতি নিয়ম তথা লোকাচাৰৰ জৰিয়তে ভবিষ্যত জীৱনৰ বাবে মানসিক ভাৱে প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হয়।

কোচ-ৰাজবংশী সমাজত ধুৱানিৰ সৈতে জড়িত লোকাচাৰত পৰিৱৰ্তন দেখাৰ দৰে বৰ বিয়াৰ ক্ষেত্ৰতো বহুল পৰিৱৰ্তন পৰিলক্ষিত হয়। এখন বিবাহৰ লগত জড়িত বিভিন্ন স্তৰ বা পৰ্বত এনে পৰিৱৰ্তনসমূহ দেখিবলৈ পোৱা যায়। বিশ্বায়ন, আধুনিক শিক্ষা ব্যৱস্থা, নগৰমুখীতা আদিৰ বাবে সাম্প্ৰতিক কালত এনে পৰিৱৰ্তন স্বাভাৱিক হৈ পৰিছে।

প্ৰাচীন কালৰে পৰা কোচ-ৰাজবংশী সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত বিবাহবোৰৰ ভিতৰত প্ৰজাপতি বিবাহ বৰ্তমান সময়তো সৰ্বজনগৃহীত। ইয়াৰ উপৰিও আদালতত পঞ্জীয়ন কৰি ৰাখি পৰৱৰ্তী সময়ত সামাজিকভাৱে বিয়াখন পাতি লয় যিটো প্ৰাচীন কালত ইমান প্ৰচলন নাছিল। প্ৰেম বিবাহৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতা বৰ্তমান শিথিল হোৱা দেখা যায়। পূৰ্বৰ দৰে জাত-পাত, ধৰ্ম-জাতি আদিৰ ক্ষেত্ৰত বহুখিনি এৰা-ধৰা, অন্যগোষ্ঠীয় লোকৰ সৈতে বিয়া হলেও সমাজে স্বীকৃতি দিয়া দেখা যায়। সম্প্ৰতি, প্ৰবল ব্যক্তিকেন্দ্ৰিকতাৰ বাবে পৰম্পৰাগত আচাৰ

নীতিসমূহ ক্ৰমশ নাইকিয়া হ'বলৈ ধৰিছে। ল'ৰা-ছোৱালীৰ মাজত পূৰ্বৰে পৰা প্ৰেমৰ সম্পৰ্ক থাকিলে অথবা প্ৰেমৰ সম্পৰ্ক নাথাকিলেও বন্ধু-বান্ধৱ তথা আত্মীয়-স্বজনৰ হতুৱাই বিবাহযোগ্য ল'ৰা বা ছোৱালীৰ সন্ধান পালে ল'ৰা-ছোৱালী উভয়ে আলেঙে-আলেঙে চায়। ইয়াৰ উপৰিও, বৰ্তমান সময়ত জনপ্ৰিয় ছ'চিয়েল মিডিয়া ফেচবুক, ইনষ্টাগ্ৰাম আদিৰ মাধ্যমেদি চা-চিনাকি হৈ পছন্দ হ'লে আনুষ্ঠানিকভাৱে দুয়ো ঘৰৰ অভিভাৱকসকল অহা-যোৱা কৰি বিয়া ঠিক কৰাও পৰিলক্ষিত হয়। এনে হোৱাৰ ফলস্বৰূপে পৰম্পৰাগতভাৱে ৰাহি যোৰা চাই, গোত্ৰ চাই কইনা চাবলৈ যোৱা প্ৰথাটো ক্ৰমান্বয়ে হ্ৰাস পাব ধৰিছে আৰু এই ক্ষেত্ৰত নৱপ্ৰজন্মই পূৰ্বৰ কঠোৰ নিয়মসমূহ আওকাণ কৰে। কইনা চোৱা পৰ্বৰ লগত জড়িত যাত্ৰাকালীন শুভ-অশুভসমূহ আজিকালি পূৰ্বৰ দৰে ইমান মানি চলা দেখা নাযায়। ইয়াৰ মূলতে হ'ল যুক্তিসংগত চিন্তাধাৰা আৰু বিজ্ঞানসন্মত মনোভাৱ। ইয়াৰোপৰি কোচ-ৰাজবংশী লোকসমাজত 'ধান টাকা দেৱা' যি প্ৰথাৰ প্ৰচলন আছিল বৰ্তমান সময়ত তেনে প্ৰথাৰ প্ৰচলন নাই যদিও তাৰ পৰিৱৰ্তে কইনাপক্ষই দৰাপক্ষক যৌতুক দিয়া প্ৰথা গঢ়ি উঠিছে। এনে যৌতুক প্ৰথাত টকা, গাড়ী, সোণৰ অলংকাৰ, অন্যান্য বয়-বস্তুৰ সকলোবোৰ সামৰি লয়। সমাজত এনে প্ৰথা গঢ় লোৱাৰ ফলত কিছুমান মাক-দেউতাকৰ বাবে কিছু চিন্তাৰ কাৰণো নোহোৱা নহয়। তদুপৰি, যৌতুকৰ বাবে বহুতো বোৱাৰীৰ আত্মহত্যা, বোৱাৰীক জ্বলাই দিয়া, হত্যা কৰা এনে ধৰণৰ নেতিবাচক দিশো আজিৰ সমাজত দেখিবলৈ পোৱা যায় যিটো সামাজিকভাৱে কেতিয়াও গ্ৰহণযোগ্য নহয়।

কোচ-ৰাজবংশী সমাজত বিবাহ এখন অতিথিক নিমন্ত্ৰণ জনোৱা পদ্ধতিতো পৰিৱৰ্তন দেখা যায়। পূৰ্বতে বিয়াত দৰা-কইনাৰ সম্বন্ধীয় মানুহে তামোল-পাণেৰে বিয়াৰ নিমন্ত্ৰণ দিছিল। কিন্তু সাম্প্ৰতিক সময়ত এনে নিয়মৰ পৰিৱৰ্তে বজাৰত সুলভ, দামী, ধুনীয়া বিভিন্ন ধৰণৰ নিমন্ত্ৰণী পত্ৰৰ প্ৰচলন দেখা যায়। বৰ্তমানৰ ব্যস্ততাপূৰ্ণ জীৱনত সময়ৰ অভাৱত নিমন্ত্ৰণী পত্ৰৰ পৰিৱৰ্তে টেলিফোন, হোৱাটচ এপ'ৰযোগেও বিয়াৰ নিমন্ত্ৰণ জনোৱা দেখা যায়।

বৰ্তমান সময়ত নগৰমুখীতাইও কোচ-ৰাজবংশী জনসমাজত বিপুল পৰিৱৰ্তন কঢ়িয়াই আনিছে। আধুনিক শিক্ষাব্যৱস্থাৰ বাবেই হওঁক বা কৰ্মসংস্থাপনৰ বাবেই হওঁক বহুতে গ্ৰাম্যজীৱনৰ পৰা নগৰমুখী হোৱা দেখা যায়। নগৰ অঞ্চলত সকলো ধৰণৰ সা-সুবিধাৰ ব্যৱস্থা থাকে। নগৰ

অঞ্চলত কিছুমানে ঠাইৰ অভাৱত বা ইচ্ছানুসৰি ঘৰৰ চোতালত অস্থায়ী ৰভাতলি নাপাতি বিবাহ ভৱনতেই বিয়াখন অনুষ্ঠিত কৰে। বৰ্তমান যুগৰ বিবাহভৱন এখনত থকা, খোৱা-লোৱাৰ পৰা আৰম্ভ কৰি ৰান্ধনী, খাদ্য বিতৰণৰ বাবে কেটাৰিং পাৰ্টী, বিয়াৰ মণ্ডপ সজোৱা, দৰা-কইনা বহাৰ বাবে আটক ধুনীয়াকৈ সজোৱা বিশেষ স্থান, অভ্যৰ্থনা তথা আপ্যায়নৰ আয়োজন আদি সকলো প্ৰকাৰৰ সা-সুবিধা পোৱা যায়; কেৱল মাত্ৰ টকাৰ প্ৰয়োজন। যাৰ বাবে পূৰ্বৰ তুলনাত বৰ্তমানৰ বিয়া এখনৰ খৰচৰ মাত্ৰা বহুগুণে বেছি।

বৰ্তমান সময়ত আধুনিকতাৰ পৰশত কোচ-ৰাজবংশী সমাজৰ বিয়া এখনত পূৰ্বৰে পৰা প্ৰচলিত পৰ্বসমূহৰ উপৰিও কেতবোৰ নতুন পৰ্বৰো সংযোজন হোৱা পৰিলক্ষিত হয়। যেনে - মেহেন্দী, হলদী ৰচম, সংগীতানুষ্ঠান, Pre - Wedding ফটোশ্যুট, Post Wedding ফটোশ্যুট আদি। প্ৰতিটো পৰ্বতে আকৌ 'থীম' অৰ্থাৎ বিষয় অনুসৰি সাজপাৰ মিলাই পৰিধান কৰাটো এক প্ৰকাৰ ফেশ্বনত পৰিণত হৈছে। ইয়াৰোপৰি বিয়া এখনত ফটোশ্যুট, ভিডিঅ' আদিত চিত্ৰনাট্য আৰু কাহিনীৰে সুন্দৰকৈ উপস্থাপন কৰাটো এক বিশেষভাৱে মনকৰিবলীয়া দিশ।

সাম্প্ৰতিক সময়ত কোচ-ৰাজবংশী সমাজৰ বিয়া এখনত সাজপাৰৰ সমান্তৰালকৈ আ-অলংকাৰৰ ক্ষেত্ৰতো নতুনত্ব দেখিবলৈ পোৱা যায়। যেনে-সোণৰ অলংকাৰৰ ক্ষেত্ৰত পৰম্পৰাগত ডিজাইনৰ সলনি ন ন ডিজাইনৰ অলংকাৰ, বিভিন্ন ধৰণৰ ধুনীয়া ধুনীয়া পাথৰ খচিত নেকলেছ, কেঁচা সোণৰ গহণা, City Gold, Manipuri Gold ৰ গহণা নতুন ধৰণৰ সিতাপটি, আঙুঠি আদি পৰিধান কৰা দেখা যায়।

খাদ্য সম্ভাৰৰ ক্ষেত্ৰতো বহুল পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। কোচ-ৰাজবংশী লোকসমাজত বৰ্তমান সময়ত বিবাহবোৰত সাধ্য অনুযায়ী মাছ-মাংস, কণী আদিৰ বিভিন্ন ধৰণৰ ব্যঞ্জন, সাধাৰণ ভাতৰ লগতে ফ্ৰাইড ৰাইচ, দৈ-মিঠাই আদিৰ উপৰিও, চাহ, কফি, ফুচ্‌কা, আইচক্ৰীম আদিৰো সুকীয়া ব্যৱস্থা কৰা দেখা যায়।

কোচ-ৰাজবংশী লোকসমাজৰ বিবাহত পূৰ্বৰেপৰা প্ৰচলিত নামাতি গানৰ প্ৰচলন বৰ্তমান সময়ত দেখিবলৈ পোৱা নাযায়। তাৰ পৰিৱৰ্তে অত্যাধুনিক বেণ্ডপাৰ্টীৰ গীত, আধুনিক অসমীয়া, হিন্দী গীতেৰে বৰ্তমানৰ বিয়াঘৰ ৰজনজনাই থকা দেখিবলৈ পোৱা যায়।

## মৃত্যুৰ সৈতে জড়িত লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিৱৰ্তিত ৰূপ ঃ

সাম্প্ৰতিক সময়ত কোচ-ৰাজবংশী সমাজত প্ৰচলিত মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ ক্ষেত্ৰতো পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। স্বাভাৱিক মৃত্যু অথবা অস্বাভাৱিক মৃত্যু হওঁক বৰ্তমান সময়ত কোচ-ৰাজবংশী সমাজত সকলোবোৰ মৃতদেহকে শ্মশানত দাহন কৰা হয়। উল্লেখযোগ্য যে বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ ফলস্বৰূপে মৃতদেহ দাহন কৰিবৰ বাবে Cremation Machine ৰ ব্যৱহাৰ দেখা যায়। Cremation Machine ৰ ব্যৱহাৰ অৱশ্যে এতিয়ালৈকে সকলো ঠাইত দেখা নাযায়। ইয়াৰোপৰি, আজিকালি প্ৰায়বোৰ শ্মশানত এটা ঘৰ নিৰ্মাণ কৰি তাত লোহাৰে তৈয়াৰী চিতা বনোৱা থাকে।

আনুমানিক ৫০-৬০ বছৰ পূৰ্বতে মৃতকক মুখাগ্নি কেৱল মৃতকৰ পুত্ৰ বা পুত্ৰ নাথাকিলে ভাগিন,ভতিজাকে মুখাগ্নি দিছিল কিন্তু বৰ্তমান সময়ত মৃতকৰ ল'ৰা নাথাকিলে ছোৱালীও মুখাগ্নি দিয়া পৰিলক্ষিত হয়। আগতে মৃতদেহ শ্মশানলৈ লৈ যোৱা সময়ত 'মৰা ফেলা গান' বা 'ঝালি মাটিৰ গান' ৰ প্ৰচলন আছিল। কিন্তু বৰ্তমান আধুনিকতাৰ প্ৰভাৱত নাইবা উঠি অহা প্ৰজন্মৰ অনাহাৰ মনোভাৱৰ বাবেও এনে গীতৰ প্ৰচলন ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰিছে।

আগৰ দিনত মৃত্যু হোৱাৰ তেৰ দিনত শ্ৰাদ্ধ, চৈধ্যদিনত সপিণ্ডন, পোন্ধৰ দিনত মৎস্যস্পৰ্শ অনুষ্ঠিত কৰাৰ নিয়ম আছিল। কিন্তু, সাম্প্ৰতিক সময়ত ব্যস্ততাপূৰ্ণ জীৱনৰ লগত খাপ খোৱাকৈ কিছুমানৰ আৰ্থিক অৱস্থা স্বচ্ছল নোহোৱাৰ বাবে পৰম্পৰা ৰক্ষাৰ খাটিৰত কিছুমানে তেৰ দিনতে আৰু কিছুমানে চৈধ্য দিনতে অনুষ্ঠিত কৰি শেষ কৰে। এইখিনিতে উল্লেখযোগ্য যে যোৱা প্ৰায় ১০ বছৰ ধৰি কোকৰাঝাৰ জিলাৰ বৃহত্তৰ কালীপুখুৰী অঞ্চলৰ ৰাইজে গাওঁৰ আৰ্থিকভাৱে দুৰ্বল লোকসকলৰ বিবাহ বা মৃত্যুৰ সৈতে জড়িত অনুষ্ঠানবোৰত গাওঁৰ প্ৰত্যেক ঘৰে সামৰ্থ্য অনুযায়ী অনুদান আগবঢ়োৱাৰ এক নতুন নিয়ম প্ৰচলন কৰি আহিছে। এয়া নিশ্চয়কৈ এক প্ৰশংসনীয় পদক্ষেপ বুলি ক'ব পাৰি।

কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও অঞ্চলত থকা কোচ-ৰাজবংশী সমাজত মৃতকৰ কাম ধৰা ব্যক্তিগৰাকীয়ে বগা সাজতে তিনি দিন ভিক্ষা খুজিব লাগে আৰু সেই ভিক্ষা কৰি অনা চাউল শ্ৰাদ্ধত দিয়া হয়। বৰ্তমান আধুনিকতাৰ পৰশত এনেবোৰ নিয়মৰ ক্ষেত্ৰত কিছু শিথিলতা আহি পৰিছে।

উপৰোক্ত আলোচনাৰ পৰা সাম্প্ৰতিক সময়ত কোচ-ৰাজবংশী সমাজত মৃত্যুৰ সৈতে জড়িত লোকাচাৰসমূহৰ পৰিৱৰ্তিত ৰূপৰ বিষয়ে আভাস পাব পাৰি। এনে পৰিৱৰ্তনৰ মাজতো কোচ-ৰাজবংশী লোকসকলৰ নিজস্ব পৰম্পৰাক ধৰি ৰখাৰ প্ৰয়াস দেখা যায়।

ইয়াৰোপৰি, উল্লেখযোগ্য যে কোকৰাঝাৰ আৰু চিৰাং জিলাত বাস কৰা কোচ-ৰাজবংশীসকলৰ মাজত ভিন্ন পন্থীৰ যেনে - শাক্ত, বৈষ্ণৱ, অনুকূল তথা জয়গুৰু ধৰ্ম গ্ৰহণ কৰা, খ্ৰীষ্টীয়ান ধৰ্ম গ্ৰহণ কৰা লোক দেখিবলৈ পোৱা যায়। সেয়ে, এনে ভিন্ন পন্থী লোক থকাৰ বাবে কোচ-ৰাজবংশী লোকসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ সৈতে জড়িত লোকাচাৰ সমূহ পালনৰ ক্ষেত্ৰত কিছু সামঞ্জস্য থাকিলেও কিছু পাৰ্থক্য দেখা যায়। এই প্ৰসংগত মনকৰিবলগীয়া কথা হ'ল বৈষ্ণৱ ধৰ্মৰ ক্ষেত্ৰত আমি দুটা পন্থা দেখিবলৈ পাওঁ — এক হৈছে শংকৰী বা নৱবৈষ্ণৱ ধৰ্ম ; যাৰ উপাস্য দেৱতা হ'ল শ্ৰীকৃষ্ণ বা নাৰায়ণ আৰু আন এক হৈছে চৈতন্যপন্থী বৈষ্ণৱ ধৰ্ম ; যাৰ ইষ্ট দেৱতা হ'ল ৰাধা গোবিন্দ অৰ্থাৎ ৰাধা-কৃষ্ণ।

শাক্তপন্থী কোচ-ৰাজবংশীলোকৰ মাজত পূৰ্বৰে পৰা পৰম্পৰাগতভাৱে প্ৰচলিত নীতি-নিয়ম সমূহৰ লগতে বিয়া-সবাহত অনুষ্ঠিত পূজা-পাতলত বলি-বিধান আদিৰ প্ৰচলন আছে। কিন্তু শংকৰী, চৈত্যনীয়া বৈষ্ণৱ পন্থী, জয়গুৰু পন্থীৰ লগতে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলৰ মাজত বলি-বিধানৰ প্ৰচলন নাই।

খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা কোচ-ৰাজবংশী লোকসকলে জন্মৰ ক্ষেত্ৰত কোনো ধৰণৰ চুৱা পালন নকৰে। আনহাতে, জন্মৰ ক্ষেত্ৰত শংকৰী ধৰ্মী কোচ-ৰাজবংশী লোকসকলে এঘাৰ দিনত ভকতৰ দ্বাৰা শুচিকৰণ কৰে আৰু জন্মৰ এমাহৰ দিনাও ভকতৰ দ্বাৰা নাম-প্ৰসংগ, ভাগৱত পাঠ কৰি শিশুটিৰ নামকৰণ পৰ্ব পাতে। অন্নপ্ৰাশনত পোন প্ৰথমে নিজৰ মাকে শিশুটিৰ মুখত ভাত দিয়ে তাৰ পিছতহে মোমায়েকে শিশুটিক ভাত খুৱায়। ছোৱালীৰ সৰু বিয়া বা ধুৱানিৰ ক্ষেত্ৰত এওঁলোকে গণকৰ দ্বাৰা গণনা নকৰে। চাৰি দিনত অশুচি ছোৱালীজনীক গা-ধুৱায় আৰু সাত দিন হবিচ খোৱাৰ পিছত ভকতক মাতি নাম-প্ৰসংগ, ভাগৱত পাঠ কৰি শুদ্ধিকৰণ কৰে। বৰ বিয়াৰ ক্ষেত্ৰত এওঁলোকে হোম নোপোৰে। শৰণাচাৰ্যৰ দ্বাৰা বিবাহ সম্পন্ন কৰে, আৰু সামাজিক অনুষ্ঠানত এওঁলোকে মাছ - মাংস খাদ্যৰূপে গ্ৰহণ নকৰে। খ্ৰীষ্টান ধৰ্মাৱলম্বী কোচ-ৰাজবংশী লোকসকলে

গীৰ্জাত গৈ বিবাহ সম্পন্ন কৰে। শাক্ত পন্থী আৰু চৈতন্যনীয়া বৈষ্ণৱপন্থী সকলে পৰম্পৰাগতভাৱে প্ৰচলিত নিয়ম অনুসৰি হোম পুৰি বিবাহ কাৰ্য সম্পন্ন কৰে। মৃত্যুৰ ক্ষেত্ৰত শংকৰী ধৰ্মী কোচ-ৰাজবংশী লোকসকল মৃতকৰ অস্থি ঘৰলৈ নানে। এওঁলোকে দহ দিনত চুলি কাটে, চুলি নুখুৰায়, এঘাৰ দিনত শুদ্ধিকৰণ দৰে আৰু বাৰ দিনত তৈল্যস্পৰ্শ অনুষ্ঠিত হয়। এওঁলোকে মৃতকক পিণ্ড নিদিয়ে।

চৈতন্যপন্থী কোচ-ৰাজবংশী লোকসকলৰ ইষ্ট দেৱতা হ'ল ৰাধা-গোৱিন্দ বা ৰাধা কৃষ্ণ। এনে লোকসকল কণ্ঠত তুলসীৰ মালা পিন্ধে আৰু তুলসী গছৰে ১০৮ টা গুটিৰে তৈয়াৰী মালা জপ কৰে। ২৪ ঘন্টাত ১ লাখ বাৰ জপ মাতিব লাগে বুলি এওঁলোকে বিশ্বাস কৰে। এইখিনিতে উল্লেখযোগ্য যে বৈষ্ণৱ পন্থী কোচ-ৰাজবংশী লোকসকলৰ কিছুমান সাংসাৰিক আৰু আন কিছুমানে সংসাৰৰ মায়া-মোহ সকলো ত্যাগ কৰি সন্ন্যাসী ৰূপত বৃন্দাবনত গৈ তাতে ইষ্ট দেৱতাৰ পূজা-অৰ্চনা কৰে। সন্ন্যাসী ৰূপত থকা ব্যক্তিসকলক 'দশম সংস্কাৰ' আৰু সাংসাৰিক ব্যক্তিসকলক 'পঞ্চম সংস্কাৰ' হোৱা বুলি কোৱা হয়। বৈষ্ণৱপন্থী কোচ-ৰাজবংশী লোকসকলে ইষ্ট দেৱতাক ভোগ আগবঢ়াইহে নিজে আহাৰ গ্ৰহণ কৰে আৰু সম্পূৰ্ণৰূপে নিৰামিষভোজী। এওঁলোকে পৰম্পৰাগতভাৱে প্ৰচলিত জন্ম, বিবাহ আৰু মৃত্যুৰ সৈতে জড়িত নীতি-নিয়মসমূহৰ মানি চলাৰ ক্ষেত্ৰত কিছু তাৰতম্য দেখিবলৈ পোৱা যায়। এওঁলোকৰ মাজত সৰু বিয়া বা ধুৱানিৰ প্ৰচলন নাই। আগতে সন্ন্যাসী সকলৰ মৃত্যু হ'লে মৃতকক দাহন নকৰি সমাধি দিছিল কিন্তু বৰ্তমান সময়ত এনে মৃতকক দাহন কৰে। লগতে এনে মৃতকৰ শ্ৰাদ্ধ নাপাতে আৰু পিণ্ড দানো নকৰে। অন্যহাতে, সাংসাৰিক মৃতকক দাহন কৰাৰ লগতে মৃত্যুৰ সৈতে জড়িত সামাজিক নীতি-নিয়ম সমূহ পালন কৰা দেখা যায়।

অনুকূল তথা জয়গুৰু ধৰ্মী কোচ-ৰাজবংশী সকলৰ গুৰু হ'ল অনুকূল চন্দ্ৰ। এনে লোকসকল ৰাতিপুৱা উঠিয়ে গুৰুক ইষ্টভৃতি (মংগলৰ অৰ্থে ইষ্ট দেৱতাৰ নামত মূল্য প্ৰদান কৰা) দিহে প্ৰাৰ্থনা কৰে। এনে ধৰ্মত সাধাৰণভাৱে গুৰুৰ পৰা দীক্ষা ললে কেৱল শুক্ৰবাৰে মাছ-মাংস আদি আমিষ আহাৰ গ্ৰহণ নকৰে, অন্য বাৰত গ্ৰহণ কৰে। কিন্তু যিসকল স্বস্তিনী হয় তেওঁলোকে আমিষ আহাৰ সম্পূৰ্ণৰূপে ত্যাগ কৰি সাত্বিক আহাৰ গ্ৰহণ কৰে। জন্মৰ ক্ষেত্ৰত এওঁলোক দেওঘৰ

(দেওঘৰ অনুকূল ঠাকুৰৰ আশ্ৰম; বৰ্তমান বিহাৰত অৱস্থিত) পৰা পঠিওৱা নামেদি নৱজাতকৰ নামাকৰণ কৰে।

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত জন্ম, বিবাহ, মৃত্যু আদিৰ সৈতে জড়িত লোক-বিশ্বাস আৰু লোকাচাৰৰ ক্ষেত্ৰত দেখা দিয়া পৰিৱৰ্তনত বিশেষভাৱে ভূমিকা পালন কৰিছে আধুনিক শিক্ষা ব্যৱস্থা, যুক্তিসংগত চিন্তাধাৰা, বিজ্ঞানসন্মত মনোভাৱ, নগৰমুখীতা, ব্যক্তিকেন্দ্ৰিকতা আদিয়ে। ইয়াৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতি, চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিয়েও প্ৰচলিত লোকবিশ্বাসসমূহৰ ক্ষেত্ৰত কিছু শিথিলতা অনাটো পৰিলক্ষিত হৈছে।

**কোচ-ৰাজবংশীসকলৰ পূজা-পাতল, উৎসব-পাৰ্ৱণৰ সৈতে জড়িত লোকাচাৰত পৰিলক্ষিত পৰিৱৰ্তন ঃ**

কোচ-ৰাজবংশী লোকসমাজত প্ৰাচীন কলেৰেপৰা পৰম্পৰাগতভাৱে বছৰৰ বিভিন্ন সময়ত বিভিন্ন পূজা-পাতল, উৎসৱ-পাৰ্ৱণ আদি অনুষ্ঠিত হয়। কিন্তু এই প্ৰাচীন বৃহৎ জনগোষ্ঠীটোৰ লোকসকলৰ মাজত প্ৰাচীন কালৰে পৰা পালন কৰি অহা পূজা-পাৰ্ৱণ, উৎসৱ অনুষ্ঠানবোৰৰ কিছুমান শিথিল ৰূপত হ'লেও বৰ্তমানেও প্ৰচলন হৈ আছে। অতীতত উৎসৱ-অনুষ্ঠানসমূহৰ নীতি-নিয়মসমূহ আছিল গ্ৰাম্য সমাজভিত্তিক আৰু সেই কাৰণে সকলোবোৰ নীতি-নিয়ম তথা পৰম্পৰাসমূহ পালনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু বৰ্তমান সময়ত বেছিভাগ মানুহ নগৰমুখী, চাকৰিজীৱী, ব্যৱসায়-বাণিজ্য আদিত বেছি আগ্ৰহী হৈ পৰিছে। সেয়ে বিষুৱাৰ লগত জড়িত কিছুমান নীতি-নিয়মৰ পালনৰ ক্ষেত্ৰত কিছু শিথিলতা আহি পৰিছে আৰু ইয়াৰ লগতে বৰ্তমান সময়ত কিছু নতুনত্বৰ সংযোজন ঘটিছে। চ'তৰ সংক্ৰান্তিৰ দিনটোৰ বিশেষ দিন হিচাপে লৈ কোচ-ৰাজবংশী লোকসকলে গৃহস্থক বেমাৰ-আজাৰ, প্ৰাকৃতিক দুৰ্যোগ আদিৰ পৰা পৰিত্ৰাণ পাবৰ বাবে আপ-ঝাপ, সাত-শুকাতি খোৱা, বাহো মাৰা আদি পৰম্পৰা বৰ্তমানেও বৰ্তি আছে। কিন্তু শিকাৰ বিষুৱা বৰ্তমান সময়ত প্ৰচলন নাই বুলিব পাৰি। বৰ্তমান সময়ত কোচ-ৰাজবংশীসকলৰ জাতীয় কৃষ্টি-সংস্কৃতিসমূহৰ প্ৰদৰ্শন তথা নব-প্ৰজন্মৰ মাজত ব্যাপক প্ৰচলনৰ উদ্দেশ্যে বিষুৱাত মঞ্চৰ সংযোজন ঘটিছে। ইয়াৰ লগতে বৃহৎ আয়োজনেৰে জনপ্ৰিয় গায়ক-গায়িকাক বিষুৱা মঞ্চলৈ

আমন্ত্ৰণ জনোৱাৰ বাবে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হোৱা দেখা যায়। কৃষিৰ লগত জড়িত কিছুমান অনুষ্ঠান যে কাতিগাছা আগআনা, নয়া খাওৱা, পুষুণা ইত্যাদি পালনৰ ক্ষেত্ৰত কিছু তাৰতম্য দেখা যায়। আগৰ দিনত কাতিগাছাৰ দিনা পথাৰত চাকি জ্বলাই চিঞৰি কেতবোৰ গীত জুৰাটো বৰ্তমান সময়ত কম দেখা যায়। অৱশ্যে খেতি-বাতি নথকা গৃহস্থইও চোতালত তুলসীৰ গুৰিত ঔটেঙাৰ খলপত চাকি জ্বলোৱা, ঘৰৰ পদূলিমুখত, কুঁৰাৰ পাৰত, দেওশালী, বাৰী আদিত চাকি জ্বলোৱা প্ৰথাটো বৰ্তমান সময়তো বৰ্তি আছে। পূৰ্বতে বেছিভাগে আহু, শালি, বাও এই তিনি প্ৰকাৰৰ ধানৰ খেতি কৰিছিল। কিন্তু বৰ্তমান সময়ত বিভিন্ন ধৰণৰ ধানৰ পয়োভৰ দেখা যায়। সেয়ে খেতি কৰাৰ সময়ছোৱাত কিছু তাৰতম্য ঘটিলেও খেতিয়কসকলে খেতিৰ লগত জড়িত নীতি-নিয়মসমূহ অনুষ্টুপীয়াকৈ হ'লেও পালন কৰে। কোচ-ৰাজবংশী লোকসমাজত পুষুণাৰ সময়ছোৱাত গাঁওৰ প্ৰত্যেক ঘৰত চিৰা খুন্দাটো এটা পৰম্পৰাগত ৰীতি অতীতৰ পৰা প্ৰচলন আছিল। কিন্তু বৰ্তমান সময়ত এই পৰম্পৰাৰ প্ৰচলন নাই বুলিবই পাৰি। বেছিভাগ মানুহে মেচিনত চিৰা খুন্দাটো এটা নতুন পৰম্পৰাৰ সৃষ্টি হৈছে। ইয়াৰ উপৰিও বৰ্তমান সময়ত 'ভোগালী মেলা' পাতে আৰু এই মেলাত বিভিন্ন ধৰণৰ পিঠাপনা, লাৰু, চিৰা ইত্যাদি বিক্ৰী কৰা দেখা যায়।

ইয়াৰ উপৰিও কোচ-ৰাজবংশী লোকসকলে পালন কৰা কেতবোৰ পূজা যেনে-কাতিকা পূজা, হুদুম পূজা, বাঁশপূজা কাচাইখাতী পূজা ইত্যাদিৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন তথা, কিছু সংযোজন পৰিলক্ষিত হয়। আগৰ দিনত কাতিকা পূজা কেৱল নাৰীসকলে কম আয়োজনেৰে পূজা কৰিছিল। আনহাতে, সাম্প্ৰতিক সময়ত ৰাইজে বৃহৎ আয়োজনেৰে এই পূজা অনুষ্ঠিত কৰে। দিনৰ ভাগত কাতিকা পূজা সন্দৰ্ভত বিশেষ আলোচনা চক্ৰ তথা বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰে যাতে ইয়াৰ দ্বাৰা উঠি অহা নব-প্ৰজন্ম কাতিকা পূজাৰ বিষয়ে বিশদভাৱে জ্ঞান আহৰণ কৰিব পাৰে আৰু এই পূজাৰ পৰম্পৰা ভবিষ্যতলৈ ৰক্ষা কৰিব পাৰে। শেষত, ৰাতি মূল পূজা আৰম্ভ হোৱাৰ আগে আগে পূজাথলীৰ পৰা সকলো পুৰুষকে আঁতৰাই পঠোৱা হয় আৰু কেৱল নাৰীৰ দ্বাৰাই এই পূজা সম্পন্ন কৰা হয়। ঠিক সেইদৰে হুদুম পূজা পূৰ্বতে নিৰ্জন ঠাইত পাতিছিল, এই পূজাত অংশ গ্ৰহণ কৰা সকলো নাৰীয়ে বিবস্ত্ৰা হৈছিল কিন্তু বৰ্তমান সময়ত কেৱল পূজা

কৰা পূজাৰিণীগৰাকীয়ে বিবস্ত্ৰা হয় আৰু সকলো নাৰীয়ে তেওঁক ঘেৰি ৰাখে। অৱশ্যে, বৰ্তমান সময়ত হুদুম পূজাৰ প্ৰচলন খুব কম বুলিব পাৰি। বাঁশ পূজাৰো প্ৰচলন কিছু কমি আহিছে। যদিও স্থান বিশেষে বাঁশ পূজাৰ পৰম্পৰা বৰ্তি ৰাখিছে।

## কোচ-ৰাজবংশীসকলৰ লোকচিকিৎসাৰ সৈতে জড়িত লোকাচাৰৰ পৰিৱৰ্তন ঃ

বৰ্তমান সময় বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ সময়, য'ত বিজ্ঞান সন্মত, শৃংখলাবদ্ধ সুনিৰ্দ্দিষ্ট ক্ৰমত বিশ্লেষণ আগবঢ়ালেহে যিকোনো বিষয় সৰ্বজন গৃহীত হয়। অতীতৰেপৰা প্ৰচলিত কোচ-ৰাজবংশী লোকসমাজত লোকচিকিৎসাৰ বিভিন্ন দিশসমূহ বিশ্বাস নকৰিলেও বা কৰিবলৈ টান পালেও ইয়াৰ প্ৰণালীবদ্ধ বিজ্ঞানসন্মত অধ্যয়ন কৰিলে ইয়াৰ পৰা আধুনিক চিকিৎসা বিজ্ঞানৰ সমল বিচাৰি পোৱা যায়। প্ৰাচীন কালত ভাৰতবৰ্ষত ঋষি-মুনিসকলে ধ্যান, যোগাসন, বনৌষধ আদিৰ জৰিয়তে শৰীৰ আৰু মনক সুস্থিৰ কৰি, আৰোগ্য হৈ সুস্বাস্থ্যৰ গৰাকী হৈ আছিল। যোগ হ'ল এনে এক পদ্ধতি যাৰ দ্বাৰা এজন ব্যক্তিৰ আভ্যন্তৰীণ ক্ষমতাসমূহ সামঞ্জস্য ভাৱে বিকাশ ঘটাব পৰা যায় লগতে ইয়াৰদ্বাৰা সম্পূৰ্ণ আত্মোপলব্ধি অৰ্জন কৰিব পৰা যায়। বৰ্তমান সময়ত আধুনিক চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত ধ্যান, যোগাসন, বনৌষধ আদিৰ স্থান তাৎপৰ্যপূৰ্ণ।

আধুনিক সময় আৰু বিজ্ঞানৰ প্ৰভাৱৰ লগে লগে আজিৰ সমাজে পূৰ্বৰ লোকচিকিৎসা পদ্ধতিৰ মহত্ত্ব আৰু সম্ভাৱনাক পুংখানুপুংখভাৱে অধ্যয়ন নকৰি কেৱল ওঝা, কবিৰাজৰ নামেৰে অন্ধবিশ্বাসৰ আওতালৈ আনি অৱহেলিত হোৱাৰ বাবে নৱপ্ৰজন্মৰ মনত এই চিকিৎসা পদ্ধতিৰ প্ৰতি সদ্‌ভাৱ গঢ়ি উঠা নাই আৰু লগতে নৱপ্ৰজন্মও লোকচিকিৎসা পদ্ধতি জনা আৰু শিকাৰ আগ্ৰহী নহয়। ইয়াৰ ফলত পূৰ্বৰেপৰা পৰম্পৰাগতভাৱে চলি অহা লোকচিকিৎসা পদ্ধতি লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম ঘটিছে।

লোকচিকিৎসা পদ্ধতিত বনৌষধেই মূল। বৰ্তমান সময়ত লোকচিকিৎসাৰ প্ৰতি উদাস হোৱা বাবে আমাৰ বনৌষধৰ জ্ঞানো সীমিত। ইয়াৰ উপৰিও উন্নত আধুনিক চিকিৎসা পদ্ধতিৰ জৰিয়তে যিকোনো ৰোগৰ পৰীক্ষা তন্ন তন্নকৈ কৰিব পৰা সুবিধা আৰু কম সময়ৰ ভিতৰত বহুতো বেমাৰৰ যন্ত্ৰণাৰ পৰা আৰোগ্য পোৱাৰ ফলত কোচ-ৰাজবংশী লোকসমাজত লোকচিকিৎসাৰ গুৰুত্ব কমি আহিছে। কেৱল গাঁৱলীয়া অঞ্চলত কিছু সংখ্যক লোকৰ মাজতহে লোকচিকিৎসা বৰ্তি আছে।

## কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত খেল-ধেমালিৰ ক্ষেত্ৰত দেখিবলৈ পোৱা পৰিৱৰ্তন ঃ

বৰ্তমানৰ সময় আধুনিক সময় পৰিৱৰ্তনৰ সময়, সময়, পৰিৱেশ পৰিস্থিতি পৰিবৰ্তনৰ লগে লগে কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসমাজত প্ৰচলিত পৰম্পৰাগত খেল-ধেমালিবোৰতো পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। সাম্প্ৰতিক সময়ত দেশী-বিদেশী বিভিন্ন ধৰণৰ খেলৰ প্ৰভাৱত কেতবোৰ পৰম্পৰাগত খেল-ধেমালিসমূহ বিলুপ্তিৰ পথত ধাৱমান হৈছে, কিছুমান খেল ধেমালিসমূহে আধুনিক ৰূপ লৈছে। ইয়াৰোপৰি কিছুমান নতুন খেলৰ প্ৰচলন দেখা যায়। বৰ্তমান সময়ত আমাৰ শিশু আৰু কিশোৰ-কিশোৰীসকলৰ জীৱনত প্ৰভাৱ পেলাইছে বিভিন্ন কম্পিউটাৰ তথা ভিডিঅ' গেম আৰু মোবাইল গেমসমূহে। এনে গেমসমূহ ঘন্টাৰ পিছত ঘন্টা খেলি থাকিলেও আমনি নালাগে আৰু ইয়াৰ বাবে শিশু আৰু কিশোৰ-কিশোৰীসকলৰ দৈহিক, মানসিক, বৌদ্ধিক দিশতো বিৰূপ প্ৰভাৱ পৰিছে। এনে বহু ভিডিঅ গেমে শিশুসকলক অস্ত্ৰ-শস্ত্ৰ লৈ যুদ্ধ কৰাৰ কৌশল শিকাইছে, তীব্ৰ গতিত গাড়ী চলোৱাৰ আকাংক্ষা আদি মনত জগাই তোলাত উৎসাহ যোগায়। তদুপৰি অধিক সময়ধৰি এনে ধৰণৰ ভিডিঅ' গেম খেলাৰ ফলত ল'ৰা ছোৱালীৰ চকুৰ যথেষ্ট ক্ষতি সাধন হয় লগতে পঢ়া-শুনাৰ প্ৰতিও অমনোযোগিতা বৃদ্ধি পায়। পূৰ্বতে, খেল-ধেমালিৰ সামগ্ৰী আছিল লাঠি, গছৰ পাত, শিল, কচুগছৰ ঠাৰি, কাপোৰেৰে তৈয়াৰী বল, ৰবাব টেঙাৰ বল ইত্যাদি। কিন্তু বৰ্তমান সময়ত বজাৰত সুলভ বিভিন্ন ধৰণৰ প্লাষ্টিকৰ পুতলা, প্লাষ্টিকৰ বাচন-বৰ্তন, বিভিন্ন ধৰণ তথা আকাৰৰ ৰঙীন গাড়ী, টেডিবিয়েৰ, বাৰ্বি, ইলেকট্ৰিক বা বেটাৰীৰে চলোৱা খেলা সামগ্ৰী যেনে- প্লাষ্টিকৰ গাড়ী, পুতলা, বাদ্যযন্ত্ৰ, ৰবৰ্ট আদি শিশুসকলৰ অতিকৈ প্ৰিয় আৰু আকৰ্ষণীয়। ইয়াৰ উপৰিও মৃৎ শিল্পীসকলৰ হাতৰ পৰশত বিভিন্ন প্ৰকাৰৰ পুতলা, বিভিন্ন জীৱ-জন্তু যেনে- হাতী, ঘোঁৰা, জিৰাফ আদিৰ আকৃতিৰ খেলা সামগ্ৰী পোৱা গৈছিল আৰু এইবোৰ বৈজ্ঞানিকভাৱে সুৰক্ষিত আছিল। কিন্তু সাম্প্ৰতিক সময়ত এনে ধৰণৰ খেলা সামগ্ৰীৰ প্ৰচলন প্ৰায় নাইকিয়া বুলিয়ে ক'ব পাৰি। এয়া বিশ্বায়নৰ ফলশ্ৰুতি বুলিব পাৰি। এইবোৰৰ পৰিৱৰ্তে বহুলভাৱে প্লাষ্টিকৰে তৈয়াৰী বিবিধ খেলা সামগ্ৰীৰ প্ৰচলন হৈ আছে আৰু এইবোৰ বৈজ্ঞানিকভাৱে ক্ষতিকাৰক।

বৰ্তমান সময় প্ৰতিযোগিতাৰ সময়। জীৱনৰ প্ৰায় সৰহভাগ ক্ষেত্ৰতে প্ৰতিযোগিতামুখী পৰিৱেশ দেখিবলৈ পোৱা যায়। ইয়াৰ বাবে অভিভাৱকসকলেও এক ব্যস্ততাপূৰ্ণ জীৱনশৈলী ধাৰণ কৰিবলগীয়া হোৱাত ল'ৰা ছোৱালীক পৰম্পৰাগত খেল-ধেমালিৰ বাবে যেনে পৰিৱেশ, উপকাৰণৰ প্ৰয়োজন তেনে পৰিৱেশ তথা সময় উলিয়াবলৈ টান হৈ পৰিছে। সেয়ে ল'ৰা ছোৱালীসকল কম্পিউটাৰ, এনড্ৰইড মোবাইল আদিতে বেছিভাগ সময় কটাবলৈ বেছি আগ্ৰহী। ইয়াৰ ফলত বৰ্তমান সময়ৰ ল'ৰা ছোৱালী পূৰ্বৰ ল'ৰা ছোৱালীবোৰৰ তুলনাত বহুখিনি নতুন কথা জনা হৈছে, স্মাৰ্ট হৈছে, সময়ৰ গতিত খোজ মিলাই চলিব পৰাও হৈছে। তদুপৰি, বৰ্তমান সময়ৰ তথ্য প্ৰযুক্তিবিদ্যাৰ উন্নতি তথা আধুনিকতাৰ ঢৌৱে প্ৰভাৱিত কৰাৰ বাবে মানুহে বেছিভাগ চহৰমুখী হ'বলৈ ধৰিছে। ইয়াৰ ফলত স্বাভাৱিকতে গাঁৱৰ মুকলি পথাৰত খেলা খেলসমূহৰ বাবে ঠাইৰ অভাৱ হৈছে। ফলত খেলবোৰৰ চৰ্চা আৰু অনুশীলনৰ অভাৱত পৰম্পৰাগত ভাৱে প্ৰচলিত খেল-ধেমালিসমূহ লাহে লাহে পাহৰণিৰ গৰ্ভত বিলীন হৈ যোৱাৰ উপক্ৰম হৈছে।

বৰ্তমান সময়ত পূৰ্বৰে পৰা প্ৰচলিত লোকাচাৰৰ ক্ষেত্ৰত পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। আজি কালি সকলো ধৰণৰ খেল-ধেমালিত ল'ৰা ছোৱালী উভয়ে সমানে অংশগ্ৰহণ কৰা দেখা যায়। বৰ্তমান সময়ত ছোৱালীৰ ক্ষেত্ৰত থকা সীমাবদ্ধতা প্ৰায় নাইকিয়া হৈছে। সম্প্ৰতি, জনপ্ৰিয় হোৱা খেলসমূহ হৈছে- ক্ৰিকেট, ফুটবল, ভলীবল, বাস্কেটবল, বেডমিন্টন, সাঁতোৰ, কেৰম, ডবা খেল, কাৰাটে, টাইকাণ্ডু, কিক্ বক্সিং ইত্যাদি। এই খেলসমূহ লৰা-ছোৱালী উভয়ে সমান্তৰাল ভাৱে খেলা পৰিলক্ষিত হয়। মন কৰিবলগীয়া দিশ যে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোনো কোনো বিদ্যালয়ত কিক্ বক্সিংৰ প্ৰশিক্ষণো প্ৰদান কৰা দেখা যায়।

উপৰোক্ত আলোচনাৰ পৰা অনুধাৱন কৰিব পাৰি যে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত খেল-ধেমালিৰ ক্ষেত্ৰত বহুখিনি পৰিৱৰ্তন আহিছে। ইয়াৰ মূলতে আধুনিক শিক্ষা ব্যৱস্থা, বিজ্ঞানসন্মত চিন্তাধাৰা, নগৰীকৰণ, ব্যক্তিকেন্দ্ৰিকতা আদিয়ে বুলি ক'ব পাৰি। বৰ্তমান সময়ত একেবাৰে গাঁও অঞ্চলতহে পুৰণি কিছুমান খেলৰ প্ৰচলন দেখা যায় যদিও বেছিভাগ খেল সময়ৰ সোঁতত নাইকিয়া হৈ গৈছে।

খেল ধেমালিয়ে শাৰীৰিক, মানসিক বৌদ্ধিক আদি সকলো দিশতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। খেল-ধেমালিৰ সঠিক অনুশীলনৰ জৰিয়তে এক সুস্থ সৰল মন তথা শৰীৰৰ অধিকাৰী হোৱাৰ লগতে দলৰ নেতৃত্ব ল'ব পৰা গুণৰো অধিকাৰী হ'ব পাৰে। শিক্ষাৰ ক্ষেত্ৰতো খেল-ধেমালিৰ গুৰুত্ব মন কৰিবলগীয়া দিশ। খেল আৰু শিক্ষা দুয়োবিধ একেলগে আগবাঢ়ি আহিলেহে ছাত্ৰৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক দিশৰ উন্নতি হয়। খেল-ধেমালিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত বন্ধুত্ব গঢ়ি তোলাত সহায় কৰে। লগতে খেল-ধেমালিয়ে ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰতিযোগিতামূলক ভাৱৰ সৃষ্টি কৰে। আকৰ্ষণীয় খেল-ধেমালিয়ে উপযুক্ত ছাত্ৰক সু-নাগৰিক ৰূপে গঢ়ি তোলে। খেলৰ লগত জড়িত গীত পদসমূহো এক গুৰুত্বপূৰ্ণ দিশ। এনে গীতসমূহৰ ৰচনা পদ্ধতি অতি আকৰ্ষণীয় বাবে শিশুসকলৰ মনত সহজে থিতাপি লয় আৰু খেলৰ সময়ত সকলোৱে গাব পাৰে। খেল আৰু গীতে দিব পৰা আনন্দৰ পৰা যাতে বৰ্তমানৰ শিশু, কিশোৰ-কিশোৰীসকল বঞ্চিত নহয়, ইয়াৰ বাবে পৰম্পৰাগত খেল-ধেমালিসমূহ উদ্ধাৰ, সংৰক্ষণ আৰু সময়, পৰিৱেশ, পৰিস্থিতি অনুযায়ী পুনঃপ্ৰচলনৰ বাবে সকলোৱে একত্ৰিত হৈ প্ৰচেষ্টা চলোৱা উচিত। লগতে এনে গীত পদসমূহৰ সংগ্ৰহে কোচ-ৰাজবংশী লোকসাহিত্যৰ ভঁৰাল চহকী কৰি তুলিব।

**গৱেষণাৰ অন্তত প্ৰাপ্ত সিদ্ধান্ত সমূহ ঃ**

ক) 'কোচ', 'ৰাজবংশী', 'কোচ-ৰাজবংশী' সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা বিভিন্ন মতৰ আলোচনাৰ পৰা এটা কথা ঠাৱৰ কৰিব পাৰি যে কোচ, ৰাজবংশী তথা বৰ্তমানৰ কোচ-ৰাজবংশীসকল অসমৰ প্ৰাচীন জনগোষ্ঠী যাৰ আদি পৰিচয় কোচ আৰু নৃগোষ্ঠীয়ভাৱে এওঁলোক মংগোলীয়।

খ) কোচ-ৰাজবংশীলোকসকল আদিম যুগৰ পৰা প্ৰকৃতি বিশ্বাসী, প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল আৰু প্ৰকৃতিক পূজা কৰি আহিছে। বৃক্ষ পূজা, সৰ্প পূজা, সোণাৰায় পূজা (বাঘ্রদেৱতাৰ পূজা) ইত্যাদি ৰূপত প্ৰকৃতিক পূজা কৰা দেখা যায়। লৌকিক পদ্ধতিৰে প্ৰকৃতিক পূজা কৰা কাৰ্যই কোচ-ৰাজবংশীসকলৰ জনজাতীয় চৰিত্ৰ বহন কৰিছে।

গ) কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা পৰম্পৰাগতভাৱে বিভিন্ন ধৰণৰ পূজা-পাতল চলি আহিছে। নাৰীকেন্দ্ৰিক পূজা- হুদুম পূজা, কাতিকা পূজা আদি পূজাবোৰত নাৰীৰ স্থান তাৎপৰ্যপূৰ্ণ। এনে পূজাবোৰত একমাত্ৰ নাৰীৰ অংশগ্ৰহণে কোচ-ৰাজবংশীসমাজত নাৰী শক্তিৰ গুৰুত্ব সুন্দৰৰূপত প্ৰতিফলিত হৈছে। বৰ্তমান সময়তো এনে পূজা কোচ-ৰাজবংশী লোকসমাজত অঞ্চলভেদে প্ৰচলন হৈ আছে।

ঘ) কোচ-ৰাজবংশী লোকসমাজত সমূহীয়াভাৱে অনুষ্ঠিত কৰা উৎসৱ-অনুষ্ঠানসমূহ জাতীয় চেতনা জাগ্ৰত কৰাৰ এক প্ৰধান আৰু গুৰুত্বপূৰ্ণ ক্ষেত্ৰ যিয়ে জনগোষ্ঠীটোক ঐক্যবদ্ধ হোৱাত সহায় কৰে। এনেদৰে সময়ে সময়ে সকলোৱে মিলিজুলি কাম-কাজ চলাই নিয়াৰ ফলত সকলোৰে মাজত ভাতৃত্ববোধ গঢ় লয়।

ঙ) কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ জীৱন বৃত্তৰ সৈতে জড়িত লোকাচাৰ যেনে- জন্ম, বিবাহ, মৃত্যুৰ সম্পৰ্কীয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ পালনে নিজৰ গোষ্ঠীগত পৰিচয় ধৰি ৰখাত সহায় কৰি আহিছে।

চ) কোকৰাঝাৰ আৰু চিৰাং জিলাত বসবাস কৰা কোচ-ৰাজবংশী লোকসকলৰ মাজত প্ৰচলিত সামাজিক লোকাচাৰৰ বেছিভাগ সামঞ্জস্য আছে যদিও কিছুমান উৎসব-পাৰ্ৱণ, খেল-ধেমালিৰ প্ৰচলন কোকৰাঝাৰ জিলাৰ তুলনাত চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলৰ মাজত কিছু কম দেখা যায়। উদাহৰণস্বৰূপে, হুদুম পূজা, কাতিকা পূজা, সোণাৰায় পূজা আদি পূজাৰ প্ৰচলন চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলত কম দেখা যায়।

ছ) একেটা ভৌগোলিক পৰিসৰত বিভিন্ন জাতি জনগোষ্ঠীয়ে বহুবছৰ ধৰি একেলগে বসবাস কৰাৰ ফলস্বৰূপে তথা সংস্কৃতিৰ ব্যাপন প্ৰক্ৰিয়াৰ জৰিয়তে কোচ ৰাজবংশী সকলৰ লগতে কোকৰাঝাৰ আৰু চিৰাং জিলাত বসবাস কৰা আন আন জনগোষ্ঠীয়েও কাতিকা পূজা, মাৰৈ পূজা, সুৱচনী পূজা ইত্যাদি পালন কৰা দেখা যায়। অৱশ্যে জনগোষ্ঠী অনুসৰি নিশ্চিত ৰূপত কিছুমান নীতি নিয়মৰ পাৰ্থক্য আছে।

জ) কোকৰাঝাৰ আৰু চিৰাং জিলাত বাস কৰা কোচ-ৰাজবংশী লোকসমাজত অন্যান্য ধৰ্ম যেনে- বৈষ্ণৱ, জয়গুৰু বা অনুকূল ধৰ্ম, খ্ৰীষ্টান ধৰ্ম আদিৰ প্ৰভাৱত সেই ধৰ্মাৱলম্বী লোকৰ তেওঁলোকৰ পৰম্পৰাগত প্ৰথা তথা নীতি নিয়মসমূহ, পূজা-পাৰ্ৱণসমূহ পালনৰ ক্ষেত্ৰত শিথিলতা আহি পৰিছে। ইয়াৰ পৰিৱৰ্তে উক্ত ধৰ্মৰ সৈতে জড়িত কিছু নতুন নীতি-নিয়ম আৰু অনুষ্ঠানৰ সংযোজন ঘটা পৰিলক্ষিত হয়।

**পৰামৰ্শসমূহ ঃ**

১) কোচ-ৰাজবংশী জনগোষ্ঠীৰ সচেতন মহলে গীত-নৃত্য, খেল-ধেমালি, বস্তু সংস্কৃতি, ইত্যাদি বিষয়ত বিভিন্ন পৰ্যায়ৰ কৰ্মশালা, প্ৰদৰ্শনীৰ যোগেদি নতুন প্ৰজন্মক অৱগত কৰা, সেইবোৰৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰচেষ্টা হাতত ল'ব লাগিব। ইয়াৰ উপৰিও দেশ-বিদেশত নিজৰ সামাজিক তথা সাংস্কৃতিক পৰিচয় প্ৰতিষ্ঠিত কৰাৰ চেষ্টা অব্যাহত ৰাখিব লাগিব।

২) কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ বিভিন্ন উৎসৱ-অনুষ্ঠান, পূজা-পাতলৰ লগত জড়িত নিজস্ব গীত-পদ, খেল-ধেমালি আদি শ্ৰব্য, দৃশ্য আৰু তথ্যচিত্ৰৰ জৰিয়তে সংৰক্ষণ কৰিব লাগিব। সংৰক্ষিত তথ্যসমূহ বৈদ্যুতিক মাধ্যম, তথা সামাজিক মাধ্যমৰ জৰিয়তে প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ ক্ষেত্ৰত সকলোৱে মনোনিৱেশ কৰিব লাগিব।

৩) কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিভিন্ন পৰম্পৰাগত উৎসৱ-উদ্‌যাপনৰ লগতে পৰম্পৰাগত খেল-ধেমালিবোৰৰ প্ৰদৰ্শন আৰু প্ৰতিযোগিতাৰ ব্যৱস্থা কৰিলে এই খেল-ধেমালিসমূহৰ প্ৰতি উঠি অহা প্ৰজন্ম আগ্ৰহী হোৱাৰ লগতে এই খেল-ধেমালিবোৰ ভৱিষ্যতলৈ চৰ্চা আৰু সংৰক্ষণৰ সবল পদক্ষেপ হ'ব বুলি আশা কৰিব পাৰি আৰু ইয়ে এক মনোৰঞ্জনৰ বাট মুকলি কৰিব।

৪) বৰ্তমান সময়ত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসমাজৰ পৰা হেৰাই যাবলৈ ধৰা বিভিন্ন লোকচিকিৎসা পদ্ধতি তথা লোকঔষধ, লোকসাহিত্যসমূহ উদ্ধাৰ

কৰাৰ কাৰণে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে তথ্য সংগ্ৰহ কৰাটো অত্যন্ত আৱশ্যকীয়। ইয়াৰ লগতে উক্ত বিষয় সম্পৰ্কীয় বিভিন্ন পুথি বা গ্ৰন্থ প্ৰণয়ন কৰিলে ভৱিষ্যতলৈ সংৰক্ষিত হোৱাৰ আশা কৰিব পাৰি।

৫) কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ সবাংগীন উন্নতিৰ ক্ষেত্ৰত চৰকাৰে পৰিকল্পিত আঁচনিৰ জৰিয়তে সদিচ্ছা প্ৰকাশ কৰি সহায়ৰ হাত আগবঢ়ালে যথেষ্টখিনি উপকৃত হ'ব।

৬) সাম্প্ৰতিক সময়ত বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ ফলশ্ৰুতিত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসমাজৰ পৰা হেৰাই যাবলৈ দৈনন্দিন জীৱনত ব্যৱহৃত কিছুমান প্ৰয়োজনীয় সা-সামগ্ৰীসমূহ যেনে- খেতি-বাতিত ব্যৱহৃত সা-সজুঁলি, মাছ মৰা সজুঁলি, তাঁত শালৰ সজুঁলি, বিভিন্ন ধৰণৰ বাঁহ বেতৰ সামগ্ৰী, ঘৰ নিৰ্মাণৰ আৰ্হি, লোক বাদ্য, বাণীবদ্ধ লোকগীত আদি সংৰক্ষণৰ বাবে সাংস্কৃতিক সংগ্ৰাহালয়ৰ নিতান্তই প্ৰয়োজন আছে। ইয়াৰ দ্বাৰা উঠি অহা প্ৰজন্ম উপকৃত হ'ব।

**ভৱিষ্যৎ অধ্যয়নৰ সম্ভাৱনীয়তা ঃ**

কোচ-ৰাজবংশী লোকসংস্কৃতিৰ পৰিসৰ যথেষ্ট বহল। আমাৰ গৱেষণা কৰ্মত কোচ-ৰাজবংশী লোকসকলৰ সামাজিক লোকাচাৰৰহে আলোচনা আগবঢ়োৱা হৈছে। গতিকে ভৱিষ্যতে নতুন গৱেষকসকলৰ বাবে কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত লোকসাহিত্য, লোকশিল্প, ভৌতিক সংস্কৃতি, লোক পৰিৱেশ্য কলা আদিৰ বিষয়ে বিতংকৈ অধ্যয়ন কৰাৰ যথেষ্ট থল আছে। নৃতাত্ত্বিক আলোচনাৰ দিশৰ পৰা কোচ-ৰাজবংশী লোকসংস্কৃতিৰ অধ্যয়ন তথা গৱেষণাৰ যথেষ্ট গুৰুত্ব আছে। আশাকৰোঁ আমাৰ গৱেষণা গ্ৰন্থখনি নতুন গৱেষকৰ গৱেষণা কৰ্মত কিছু পৰিমাণে হ'লেও সহায়ক হ'ব।

* * * * *